AMAZING FACTS
India

# ভাৱবাণীৰ এক সম্পূৰ্ণ দৃশ্য

জীৱন পৰিবৰ্ত্তন কৰা এটা বাইবেল অধ্যয়ণ!

## অন্তিম অগ্নিৰ ধুমুহা

আদিপুস্তক ১৯:১-২৯

## কাহিনী . . .



যেতিয়া লোটে তেঁওৰ পৰিয়ালটোক চদোমলৈ নিবলৈ সিদ্ধান্ত লৈছিল, তেতিয়াই অব্ৰাহামে জানিছিল যে তেঁওৰ ভতিজাকে এটা ডাঙৰ ভুল কৰিবলৈ গৈছিল। যৰ্দ্দন উপত্যকাৰ নামনিৰ নগৰ সমুহ অতি সুন্দৰ আৰু মনোমোহা গছ গছনিৰে ভৰা আছিল, কিন্তু ই অতিশয় অধাৰ্ম্মিকতাৰেও পৰিপূৰ্ণ আছিল। "সেই চদোমৰ লোকবিলাক যিহোৱাৰ দৃষ্টিত অতি দুষ্ট আৰু পাপীষ্ঠ আছিল"। আদিপুস্তক ১৩:১৩। অৱশেষত, ঈশ্বৰে এই পাপীষ্ঠ নগৰবোৰক তাহাতৰ ঘিণলগীয়া দুষ্কাৰ্য্যৰ নিমিত্তে ধ্বংশ কৰিবলৈ ঠিৰাং কৰিছিল, কিন্তু প্ৰথমতে তেঁও লোট আৰু তেঁওৰ পৰিয়ালটোক ৰক্ষা কৰিবলৈ দুজন স্বৰ্গদুত চদোমলৈ প্ৰেৰণ কৰিছিল।

চদোমত প্ৰৱেশ কৰাৰ আগতে, এই দুজন স্বৰ্গদুতে দুজন বাটৰুৱাৰ ছদ্মবেশ ধাৰণ কৰিছিল। লোটে এই সুন্দৰ অচিনাকী পথিক দুজনক দেখিছিল যেতিয়া তেঁওলোকে প্ৰথমতে নগৰৰ দুৱাৰমুখত প্ৰৱেশ কৰিছিল, আৰু সেই দুষ্টতাৰে পৰিপূৰ্ণ নগৰখনৰ পথবোৰ ৰাতি নিৰাপদ নহয় বুলি জানি, তেঁও তেঁওলোকক তেঁওৰ ঘৰত আশ্ৰয় লবলৈ অনুৰোধ কৰিছিল। কিন্তু দুষ্ট মানুহবিলাকে এই সকলোবোৰ চাই আছিল, আৰু সেই ৰাতি সিহঁতে লোটৰ ঘৰৰ দুৱাৰৰ সন্মুখত গোট খাইছিল আৰু তেঁওবিলাকক অপব্যৱহাৰ কৰিব পৰাকৈ তেঁওৰ আলহি দুজনক বাহিৰলৈ উলিয়াই দিবলৈ জোৰ-জব্বৰদস্তি কৰিছিল। লোটে তেঁওৰ ঘৰৰ দুৱাৰ মুখত গোটখোৱা বিপথগামী উগ্ৰ মানুহজাকক বুজাবলৈ বহু চেষ্টা কৰিও ব্যৰ্থ হৈছিল। সিহতৰ চৈতানী উপদ্ৰপ ভুতৰ ওপৰত দানৱ পৰাদি অধিক প্ৰবলহে হৈছিল, আৰু অচিৰেই মানুহৰ জাকটোৱে লোটকো ভাবুকী দিবলৈ আৰম্ভ কৰিছিল! এনে অৱস্হাত, স্বৰ্গদুত দুজনে আৰু তেঁওলোকৰ প্ৰকৃত পৰিচয়ক লুকাই ৰাখিব পৰা নাছিল। তেঁওলোকে হাতমিলি লোটক নিৰাপদে ঘৰৰ ভিতৰলৈ টানি আনিছিল আৰু দুৱাৰ মুখত জমা হোৱা পাগল মানুহৰ জাকটোক আঘাত কৰি অন্ধ কৰি পেলাইছিল।

পিছদিনা অতি ৰাতিপুৱাই, স্বৰ্গদূত দুজনে লোট আৰু তেঁওৰ পৰিয়ালটোক এইদৰে কৈছিল, "...প্ৰাণ ৰক্ষাৰ অৰ্থে পলোৱা; পাছলৈ নেচাবা, আৰু এই সমথলৰ কোনো ঠাইত নেথাকিবা; পৰ্ব্বতলৈ পলাই যোৱা; নহলে বিনষ্ট হবা" আদিপুস্তক ১৯:১৭। "এনেতে যিহোৱাই আপোনাৰ ওচৰৰ পৰা, আকাশৰ পৰা, চদোম আৰু ঘমোৰাৰ ওপৰলৈ গন্ধক আৰু অগ্নি বৰষাই"... আদিপুস্তক ১৯:২৪। মাত্ৰ লোট আৰু তেঁওৰ দুজনী অবিবাহিত জীয়েকৰ প্ৰাণ ৰক্ষা পৰিছিল, কাৰন তেঁওৰ পৰিবাৰ জনীয়ে লোভৰ আশাত চদোমলৈ মুখ ঘুৰাই চাইছিল আৰু এটা লোনৰ স্তম্ভত পৰিণত হৈছিল। ঈশ্বৰৰ বাক্যই আমালোকক কৈছে যে, অন্তিম দিনৰ সময়ত পৃথিবীখনৰ অৱস্হা চদোমৰ নিচিনাই হব-আৰু সেইদৰে শাস্তিও ভোগ কৰিব!



# অধ্যয়ণ

*তলত দিয়া প্ৰতিটো বাইবেল পদ পঢ়াৰ পাছত খালী ঠাইবোৰ পুৰন কৰক।*

## ১. দুষ্ট পাপীবিলাকক ধ্বংশ কৰিবৰ নিমিত্তে কোন দুখন নগৰক উদাহৰণ হিচাপে দিয়া হৈছে?

**২য় পিতৰ ২:৬** *আৰু ____________________ আৰু ____________________ নগৰ ভষ্ম কৰি উতপাটনৰূপ দন্ড দি, ভক্তিলঙ্ঘনকাৰী ভাৱী মানুহবিলাকলৈ আৰ্হি কৰি থলে।*

**টোকা:** ঈশ্বৰে সেই নগৰ দুখনক অনন্ত অগ্নিৰে ধ্বংশ কৰিছিল,- সেই একে প্ৰকাৰৰ অগ্নিয়ে অধাৰ্ম্মিক বিলাকক নৰকত ধ্বংশ কৰিব।

## ২. অধাৰ্ম্মিক বিলাকক নৰকৰ অগ্নিত কেতিয়াকৈ ধ্বংশ কৰা হব বাৰু?

**২য় পিতৰ ২:৯** *এই দৰে প্ৰভুৱে ... যিবোৰে মাংসৰ অনুগামী হৈ অশুচিতাৰ অভিলাষত চলে, আৰু প্ৰভুত্বক হেয়জ্ঞান কৰে, তেঁওবিলাকক দন্ড দি দি, ____________________ কাৰনে ৰাখিবলৈ জানে।*

**যোহন ১২:৪৮** *মই কোৱা বাক্যই ____________________ ____________________ তেঁওৰ সোধবিচাৰ কৰিব।*

**মথি ১৩:৪০-৪২** *সেইদৰে ____________________ ____________________ হব। মানুহৰ পুত্ৰই তেঁওৰ দূতবিলাকক পঠাই দিব, আৰু তেঁওবিলাকে তেঁওৰ ৰাজ্যৰ মাজৰ পৰা সকলো বিঘ্নজনক বিষয় আৰু অধৰ্ম্মাচাৰীবোৰক গোটাই, অগ্নিকুন্ডত পেলাব।*

**টোকা:** ওপৰত দিয়া শাস্ত্ৰপদবোৰত, বাইবেলে অতি স্পষ্টকৈ কৈছে যে, জগতৰ শেষত মহা-বিচাৰৰ দিনত অধাৰ্ম্মিক পাপীবোৰক অগ্নিত পেলোৱা হব—তেঁওবিলাকৰ মৃত্যুৰ সময়ত নহয়। ইয়াৰ স্পষ্ট অৰ্থ এইটোৱেই যে, এতিয়া কোনো এজনেও নৰকত নাই। এইটো একমাত্ৰ ন্যায় ব্যৱস্হা যে, সোধবিচাৰত মোকৰ্দমা নিষ্পতি নোহোৱালৈকে কোনেও শাস্তি ভুগিব নেলাগে। লোকসমুহে দ্বিতীয় আগমনৰ সময়তহে হয় পুৰস্কৃত হব নহয় শাস্তি ভোগ কৰিব লাগিব, তাৰ আগতে নহয় (প্ৰকাশিতবাক্য ২২:১২)।

## ৩. ইতিমধ্যে মৃত হোৱা অধাৰ্ম্মিক পাপী সকল যদি এতিয়াও নৰতক নাই, তেন্তে তেঁওলোক কত আছে বাৰু?

**যোহন ৫:২৮, ২৯** *কিয়নো যি কালত ____________________ ____________________ সকলোৱে তেঁওৰ মাত শুনি, সতকৰ্ম্ম কৰাবিলাক জীৱনৰ পুনৰুত্থানলৈ, আৰু কুকৰ্ম্ম কৰাবিলাক দোষী সাব্যস্ত হোৱাৰ পুনৰুত্থানলৈ ওলাব, সেই কাল আহিছে (কেজিভি)।*

**ইয়োব ২১:৩০,৩২** *দুষ্ট পাপীবোৰ ধ্বংশৰ দিনলৈ সংৰক্ষিত হৈ থাকে ... তথাপি তাক ____________________ নিয়া হব, আৰু জাগ্ৰত লোকে তাৰ ____________________ পৰ দি থাকিব। (কেজিভি)।*

**টোকা:** বাইবেলে নিশ্চয়তাৰে আমাক কৈছে যে, জগতৰ শেষত পুনৰুত্থান নোহোৱালৈকে ইতিমধ্যে মৃত্যু হোৱা দুষ্ট পাপী সকল মৈদামত সংৰক্ষিত হৈ আছে। তেঁওবিলাকে তেঁওলোকক মতা যীচুৰ মাত শুনিব আৰু মৈদামৰ পৰা উঠি আহিব, নৰকৰ পৰা নহয়।

## ৪. পুৰস্কাৰটোনো কি, নাইবা পাপৰ শাস্তিয়েই বা কি?

**ৰোমীয়া ৬:২৩** *কিয়নো পাপৰ বেচ ______________________; কিন্তু ঈশ্বৰে দিয়া বৰ, আমাৰ প্ৰভু খ্ৰীষ্ট যীচুৰ দ্বাৰাই অনন্ত জীৱন।*

**টোকা:** পাপৰ যি শাস্তি সেয়া নৰকৰ অগ্নিৰ মাজত পোৰা অনন্ত জীৱন নহয়, কিন্তু ইয়াৰ ঠিক বিপৰীত –মৃত্যুহে। আমি সকলোৱে প্ৰথম মৃত্যুৰে মৰিম (ইব্ৰী ৯:২৭), কিন্তু বাইবেলে কৈছে যে, মৃত্যু হোৱা দুষ্ট পাপীবিলাক নৰকত দ্বিতীয় মৃত্যু ভোগ কৰিব (প্ৰকাশিতবাক্য ২১:৮)। প্ৰথম মৃত্যুৰ পৰা সকলোৱেই হয় শাস্তিৰ নিমিত্তে নহয় পুৰস্কাৰৰ নিমিত্তে পুনৰুত্থিত হব, কিন্তু দ্বিতীয় মৃত্যুৰ পৰা কোনো ধৰণৰ পুনৰুত্থান নাই। এয়াই শেষ। ইয়াৰোপৰি, যদি পাপৰ শাস্তি নৰকৰ অগ্নিত অনন্তকলীয়া যন্ত্ৰনা হলহেতেন, তেনেহলেতো যীচুৱে ইয়াৰ শাস্তিৰ জৰিমনাক পৰিশোধ নকৰাকহে বুজাব।

## ৫. সকলো মানৱৰ নিমিত্তে মাত্ৰ কি দুটা বাচনি আছে?

**যোহন ৩:১৬** *যি কোনোৱে তেঁওত বিশ্বাস কৰে, তেঁও ______________________ নহয় কিন্তু ______________________ ______________________ পায়।*

**টোকা:** লিম্বু আৰু পাৰ্গেটৰীৰ ধাৰণা বাইবেল শাস্ত্ৰ্যত বিচাৰি পোৱা নাযায়। বাইবেলে মাত্ৰ দুটা বাচনিৰ বিষয়ে শিকাই—অনন্ত জীৱন অথবা অনন্ত মৃত্যু (দ্বিতীয়বিবৰন ৩০:১৫)।

## ৬. নৰকৰ অগ্নিত দুষ্ট পাপীবিলাকৰ দশা কি হব?

**গীতমালা ৩৭:১০, ২০** *কাৰন অলপতে দুষ্ট লোক নাইকীয়া হব; তুমি তাৰ ঠাইত যত্নেৰে বিচাৰিলেও তাক নাপাবা। দুষ্টবোৰ ______________________ হব, ... সিহঁত ঢুকাই যাব, সিহঁত ধুঁৱা হৈ ______________________ যাব।*

**মলাখী ৪:১, ৩** *কিয়নো চোৱা, সেই যি দিন আহিছে, সেয়ে তন্দুৰৰ নিচিনাকৈ জ্বলিব, আৰু আটাই গৰ্ব্বী ও দুৰাচাৰী লোকবিলাক নৰাৰ নিচিনা হব ... সেই যি দিন আহিছে, সেয়ে সিহঁতৰ শিপা কি ডাল একো ______________________ নথকাকৈ সিহঁতক ______________________ পেলাব। ... আৰু তোমালোকে দুষ্টবোৰক গচকিবা ... কিয়নো ... সিহঁত তোমালোকৰ ভৰিৰ তলুৱাৰ তলত থকা ছাই যেন হব।*

**টোকা:** নৰকত থকা দুষ্ট পাপীবোৰ ধুঁৱা হৈ ঢুকাই যাব.। মাত্ৰ ছাই হৈ পৰি ৰব।

## ৭. নৰকৰ অগ্নি কত থাকিব?

**প্ৰকাশিতবাক্য ২০:৯** *সিহঁতে ______________________ বিস্তাৰেদি গৈ, পবিত্ৰবিলাকৰ ছাউনি আৰু প্ৰিয় নগৰ বেৰি ধৰিলে; তাতে স্বৰ্গৰ পৰা জুই পৰি, সিহঁতক গ্ৰাস কৰিলে।*

**২য় পিতৰ ৩:১০** *আৰু মূলবস্তুবোৰ দগ্ধ হৈ লয়প্ৰাপ্ত হব; আৰু ____________________ আৰু তাৰ সকলো বস্তু পোৰা যাব।*

**টোকা:** নৰকৰ অগ্নি এই পৃথিৱীতে হব, কাৰন পৃথিৱীখনেই অগ্নিত থাকিব।

## ৮. চয়তান নৰকৰ অগ্নিৰ তত্বাৱধায়ক হব নেকি?

**প্ৰকাশিতবাক্য ২০ :১০** *আৰু সিহঁতক ভুলুৱা চয়তানক, জুই আৰু গন্ধকৰ সৰোবৰত ____________________ ____________________ ।*

**টোকা:** তত্বাৱধায়ক পতা নহব! নৰকৰ অগ্নিৰ তত্বাধায়ক পতাতো দূৰৰ কথা, চয়তানক অগ্নিতহে পেলোৱা হব। অৱশেষত তাক "পৃথিৱীৰ ওপৰত পৰি থকা ভস্মত" পৰিণত কৰা হব আৰু চয়তানৰ বিষয়ে ঈশ্বৰে এইদৰে কৈছে, "তুমি আৰু কেতিয়াও নহবা"। যিহিস্কেল ২৮:১৮, ১৯।

## ৯. নৰকৰ জুই কেতিয়াবা নুমাই যাব নে?

**যিচয়া ৪৭:১৪** *সেয়ে উম পাবলৈ, বা আগত বহি জুই পুৱাবলৈ জ্বলা ____________________ দৰেও ____________________!*

**টোকা:** পাপ, পাপী আৰু পৃথিৱীৰ সকলোবোৰ ধ্বংশ হৈ যোৱাৰ পিছত জুই নুমাই যাব। ই যুগ যুগ ধৰি জ্বলি নাথাকিব। এক অনন্তকাল ধৰি চলি থকা নৰকৰ যাতনাই পাপৰ পৰা কেতিয়াবা মুক্তি পোৱাৰ পথটিক অসম্ভৱ কৰি তুলিব। ঈশ্বৰৰ আচনিটো হৈছে পাপক পৃথক কৰা আৰু ইয়াক ধ্বংশ কৰি শেষ কৰা, ইয়াক চিৰস্হায়ী বা যুগমীয়া কৰা নহয়। প্ৰকাশিতবাক্য ২১:৫ পদত কৈছে, "চোৱা, মই সকলোকে নতুন কৰোঁ।"

## ১০. নৰকত শৰীৰ আৰু আত্মা দয়োটাই নষ্ট হব নে?

**মথি ১০:২৮** *আৰু যিবিলাকে শৰীৰক বধ কৰে, আত্মাক বধ কৰিব নোৱাৰে, তেওঁবিলাকলৈ ভয় নকৰিবা; কিন্তু যি জনাই ____________________ আৰু ____________________, এই দুয়োকো নৰকত নষ্ট কৰিব পাৰে, তেওঁলৈকে ভয় কৰিবা।*

**টোকা:** অনেকেই বিশ্বাস কৰে যে, আত্মা হেনো কেতিয়াও নমৰে, কিন্তু ঈশ্বৰে দুবাৰকৈ কৈছে, "যি আত্মাই (প্ৰানীয়ে) পাপ কৰে, সেই আত্মাহে (প্ৰানী) মৰিব" যিহিস্কেল ১৮:৪,২০ (কেজিভি)। গতিকে শাস্ত্ৰ্ব্যবাক্যৰ মতে, অধাৰ্ম্মিকবিলাকে নৰকৰ অগ্নিত-শৰীৰ আৰু আত্মা দুয়োটা অৱস্হাতেই নষ্ট হব।

## ১১. কাৰ নিমিত্তে নৰকৰ অগ্নি জ্বলোৱা হব?

**মথি ২৫:৪১** *হেৰ শাওৰে পোৱাহঁত, ____________________ আৰু তাৰ দূতবোৰৰ নিমিত্তে যুগুত কৰি থোৱা অনন্ত জুইলৈ তহঁতে মোৰ ওচৰৰ পৰা গুচি যাহঁক।*

**টোকা:** অগ্নিৰ উদ্দেশ্যটো হৈছে, চয়তান, তাৰ দুষ্ট দূতবোৰ, আৰু পাপ ধ্বংশ কৰা। যদি মই পাপৰ মাৰাত্মক ৰোগৰ বন্ধনৰ পৰা মুক্তহৈ আহিবলৈ অমান্তি হওঁ, ইয়াৰে সৈতে ময়ো ধ্বংশ হব লাগিব, কাৰন পাপক যদি ধ্বংশ কৰা নাযায়, ই বিশ্ব-ব্ৰহ্মাণ্ডখনক আকৌ এবাৰ কুলষিত কৰিব।

## ১২. ঈশ্বৰে অধাৰ্ম্মিবিলাকক ধ্বংশ কৰা কাৰ্য্যক বাইবেলে কেনেকৈ বৰ্ণনা কৰিছে?

**যিচয়া ২৮:২১** *কাৰন যিহোৱাই নিজৰ কাৰ্য্য, নিজৰ* ____________________ ____________________ ____________________ *সাম্ফল কৰিবলৈ ... গিবিয়ন উপত্যকাত যেনেকৈ ক্ৰোধ কৰিছিল, তেনেকৈ ক্ৰোধ কৰিব।*

**টোকা:** ঈশ্বৰে যিসকলক প্ৰেম কৰে, তেওঁলোকক ধ্বংশ কৰাৰ কথা কেতিয়াও ভাৱিবলৈকো নোৱাৰে। ... "প্ৰভুৱে নিজ প্ৰতিজ্ঞাৰ কথাত তেনে পলম নকৰে; কোনো যেন বিনষ্ট নহয়, কিন্তু সকলো যেন মন-পালটনত প্ৰবৃত্ত হয়, তেওঁ এনে ইচ্ছা কৰি, তোমালোকলৈ দীৰ্ঘ-সহিষ্ণু হয়"। ২য় পিতৰ ৩:৯। তেওঁ অবিৰতভাৱে তেওঁবিলাকক মাতিয়েই আছে, "ঘুৰা, তোমালোকৰ কুপথৰ পৰা তোমালোক ঘুৰা ... তোমালোক কিয় মৰিবা" যিহিস্কেল ৩৩:১১। মানুহক ধ্বংশ কৰা কাৰ্য্যটো ঈশ্বৰৰ ইমানেই অপৰিচিত যে নৰকৰ অগ্নিক তেওঁ তেওঁৰ "নজনা নুশুনা ব্যাপাৰ" বুলি কৈছে। মানৱজাতিটোক পৰিত্ৰাণ কৰিবলৈ তেওঁৰ যি প্ৰৱল আকাংখ্যা তাৰ বাবে ঈশ্বৰে নকৰাকৈ একো ৰখা নাই। প্ৰতিজন দুষ্ট অধাৰ্ম্মিক মানুহে ধ্বংশ হোৱাৰ আগতে এইটো মানি লবই লাগিব যে ঈশ্বৰ সচাকৈয়ে মঙ্গলময় আছিল (ৰোমীয়া ১৪:১১)।

## ১৩. নুনুমুৱা জুই বুলি বাইবেলে কওঁতে কেতিয়াও নুমাই নোযোৱা জুইৰ কথা কোৱা নাই জানো?

**মথি ৩:১২** *তেওঁ নিজৰ খলা ভালকৈ পৰিস্কাৰ কৰি, নিজৰ ধান মেৰত চপাই থব, কিন্তু ঘুলা* ____________________ ____________________ *পুৰিব।*

**টোকা:** নাই কোৱা! নুনুমুৱা জুইক নুমাব নোৱাৰি। কিন্তু ই পুৰি পুৰি আটাইবোৰকে ছাই কৰি পেলোৱাৰ পিছত পুৰিবলৈ একো নাথাকিলে, ই নিজে নিজে নুমাই যায়। উদাহৰণ স্বৰূপে, যিৰিমিয়া ১৭:২৭ পদত, সতৰ্ক কৰা হৈছে যে, যদি ঈশ্বৰৰ লোকসকলে বিশ্বাসী হৈ নাথাকে, তেওঁ তেওঁবিলাকৰ নিমিত্তে যিৰূচালেমত জুই জ্বলাব, "যি নুনুমাব"। আৰু ধৰ্ম্মশাস্ত্ৰ্যই ঘোষণা কৰে যে এই ভাৱবানী ইতিমধ্যে সিদ্ধ হৈ গৈছে। "তেওঁৰ লোকবিলাকে ঈশ্বৰৰ গৃহ পুৰিলে, যিৰূচালেমৰ গড় ভাঙিলে, তাৰ আটাই অট্ৰালিকাবোৰ জুইৰে পুৰি পেলালে, আৰু তাত থকা সকলো মনোহৰ পাত্ৰবোৰ নষ্ট কৰিলে ... যিৰিমিয়াৰ মুখে কোৱা যিহোৱাৰ বাক্য সাম্ফল কৰিবৰ অৰ্থে" ২য় বংশাৱলি ৩৬:১৯, ২১। সেই জুইয়ে সকলোবোৰকে পুৰি ভষ্ম নকৰা পৰ্য্যান্ত তাক নুমাব পৰা নগৈছিল তাৰ পাছত ই নিজে নিজে নুমাই গৈছিল, ই আজিলৈকে জ্বলি থকা নাই, এনেকি যদিও বাইবেলে ইয়াক "নুনুমুৱা জুই" বুলি কোৱা স্বত্বেও।

## ১৪. অনন্ত জুই বুলি কোৱাৰ অৰ্থ শেষ নোহোৱা জুই নহয় জানো?

**যিহূদা ৭** *পদ সেইদৰে চদোম আৰু* ____________________ ____________________ *দন্ড ভোগ কৰি, আৰ্হিস্বৰূপে আগত ওলাই আছে।*

**টোকা:** আমি বাইবেলকেই ব্যাখ্যা কৰিবলৈ দিয়া উচিত। আমি এই পদটোত দেখা পাও যে, নৰকৰ এটা উদাহৰন হিচাপে চদোম আৰু ঘমোৰা অনন্ত জুইৰে বিনষ্ট হৈছিল, কিন্তু এই নগৰ দুখন আজিলৈকে জ্বলি থকা নাই। ইহঁত পুৰি ভষ্মহৈ ছাইত পৰিণত হৈছিল (২য় পিতৰ ২:৬), যাক অনন্ত জুইয়ে ছাই কৰি পেলাইছিল। ই ইয়াৰ পৰিণামতহে অনন্তকলীয়া। ("ধনী মানুহ আৰু লাজাৰ" নামৰ সংযোজন পাঠটি চাওঁক)

## ১৫. যেতিয়া প্ৰকাশিতবাক্য ২০:১০ পদে অধৰ্ম্মিক সকলক অনন্ত কাললৈকে দিনে ৰাতিয়ে যাতনা ভোগ কৰিব বুলি কৈছে, ই শেষ নোহোৱা সময়ৰ বিষয়ে কোৱা নাই জানো?

**যোনা ২:৬** *পৃথিবীয়ে নিজৰ ডাংবোৰেৰে মোক* ______________________________ *বন্ধ কৰিলে।*

**টোকা:** নাই কোৱা। যোনা প্ৰকান্ড মাছটোৰ পেটত তিনি দিন আৰু তিনি ৰাতিহে আছিল (যোনা ১:১৭), তথাপি তেওঁ ইয়াক কৈছিল "অনন্তকাললৈকে"। মই নিশ্চিত যে ই নিশ্চয় অনন্তকলীয়াৰ নিচিনাই আছিল! প্ৰকাশিতবাক্য ২০:১০ পদত থকা "অনন্তকাললৈ" শব্দটো গ্ৰীক শব্দ "আয়ন"ৰ পৰা অহা যাৰ পৰা আমি "ইয়ন" অৰ্থাত বহু দীঘলীয়া ওৰ নপৰা সময় বুজোৱা শব্দটো পাইছো। ই প্ৰায়েই অনিৰ্দিষ্ট সময়, অসীম বা সসীম সময়ক বুজায়। "অনন্ত" শব্দটোক বাইবেলত ৫৬ বাৰ ব্যৱহাৰ কৰা হৈছে যাক এনে কিছুমান অৰ্থত প্ৰয়োগ কৰা হৈছে যি ইতিমধ্যে অন্ত পৰিছে। উদাহৰন স্বৰূপে "অনন্ত" শব্দটোক এজন বিশ্বাসী দাসৰ জীৱন ব্যাখ্যা কৰিবলৈ (যাত্ৰাপুস্তক ২১:৬) ব্যৱহাৰ কৰা হৈছে, আৰু আন এটা ঠাইত "অনন্তৰ" অৰ্থ হৈছে ১০টা প্ৰজন্ম (দ্বিতীয় বিবৰন ২৩:৩)। মানুহৰ ক্ষেত্ৰত ব্যৱহাৰ কৰোতে "অনন্ত"ৰ অৰ্থ হৈছে যিমান দিনলৈ সি জীয়াই থাকে (১ম চামূৱেল ১:২২, ২৮)।

## ১৬. পাপ আৰু পাপী সকল বিনষ্ট হোৱাৰ পিছত যীচুৱে তেওঁৰ লোকসকলৰ নিমিত্তে কি কৰিব?

**২য় পিতৰ ৩:১৩** *কিন্তু তেওঁৰ প্ৰতিজ্ঞাৰ দৰে, আমি নতুন আকাশ-মন্ডল আৰু ______________________ ______________________ অপেক্ষা কৰি আছো; সেইবোৰত ধাৰ্ম্মিকতা নিবাস কৰে।*

**প্ৰকাশিতবাক্য ২১:৪** *আৰু তেওঁবিলাকৰ চকুৰ পৰা আটাই চকু-লো মচি গুচাব; তাতে মৃত্যু আৰু নহব; শোক, বা ক্ৰন্দন, বা ______________________ আৰু ______________________; প্ৰথমবোৰ গুচিল।*

**টোকা:** পৃথিবীখনক পবিত্ৰ কৰা ভস্মৰ ওপৰত, ঈশ্বৰে নতুন আকাশ-মন্ডল আৰু এখন নতুন পৃথিবী সৃষ্টি কৰিব। অনন্তকাল ধৰি আটাইবিলাক জীৱিত প্ৰাণীক আনন্দ, শান্তি আৰু অবৰ্নাতীত সুখ, সন্তোষ প্ৰদান কৰিবলৈ তেওঁ প্ৰতিজ্ঞা কৰিছে।

## ১৭. পাপৰ সমস্যাটো আকৌ আহিব নেকি?

**নহূম ১:৯** *দ্বিতীয়বাৰ সঙ্কত ______________________ ।*

**টোকা:** নহব! প্ৰতিজ্ঞাটো একেবাৰে বিশেষ ধৰনৰ। পাপ পুনৰাই কেতিয়াও নাহিব।

**যিচয়া ৬৫ :১৭** *কিয়নো চোৱা, মই নতুন আকাশ-মন্ডল আৰু নতুন পৃথিবী সৃষ্টি কৰো; আৰু পূৰ্ব্বকালৰ কথাবোৰ সোঁৱৰণ বা মনত কৰাও নহব।*

## ১৮. কি মনত লগা প্ৰশ্ন ইয়োবে সুধিছিল?

**ইয়োব ৪:১৭** *এজন মৰণশীল মানৱ জানো ঈশ্বৰতকৈ অধিক ______________________ হব পাৰে (কেজিভি)।*

**টোকা:** আপোনাৰ পুত্ৰজন যদি এজন নিষ্ঠুৰ নৰহত্যাকাৰী হয়, আপুনি ভাৱিব পাৰিব নে যে সি শাস্তি পোৱা উচিত? সম্ভৱত আপুনি হয়তো ভাৱিব। কিন্তু আপুনি তাক জীয়াই জীয়াই জ্বলন্ত জুইত ভয়ঙ্কৰ যন্ত্ৰনাত এনেকি মাত্ৰ এদিনৰ বাবেও জ্বলি থকাটোক বিচাৰিব নে? নিশ্চয় নিবিচাৰিব। আপুনি তাক চাবলৈ সহ্য নহব। আমাৰ মৰমীয়াল প্ৰভুৱেও তেওঁৰ সন্তান সকলক তেনেকৈ যন্ত্ৰনাত জ্বলি থকাটোক চাবলৈ সহ্য নহব। এনে কাৰ্য্য হব যুদ্ধৰ আটাইবোৰ অত্যাচাৰতকৈয়ো অধিক অধম। ঈশ্বৰ তেনেকুৱা জানো? এটা অনন্তকলীয়া নৰকৰ যাতনা ঈশ্বৰৰ বাবে হব অসহনীয় আৰু পোনে পোনে তেওঁৰ প্ৰেমময় আৰু ন্যায়পৰায়নতাৰ চৰিত্ৰৰ সম্পূৰ্ণ বিপৰীত।

# আপোনাৰ সহাৰি

*তেওঁৰ গৌৰৱময় নতুন ৰাজ্যত আপুনি বাস কৰাতকৈ যীচুৱে আন একো অধিক নিবিচাৰে। আপোনাৰ নিমিত্তে তেওঁ ইয়াকে আকাংখ্যা কৰে, আপোনাৰ নিমিত্তে তেওঁ প্ৰস্তুত কৰা অট্ৰালিকাটোক যেন আপুনি অধিকাৰ কৰি লয়। তেওঁৰ এই দান গ্ৰহন কৰিবলৈ আপুনি এতিয়াই সিধান্ত লব নে?*

***উত্তৰ:*** ______________________।

# সংযোজন

*এই খন্ডটিয়ে অতিৰিক্ত অধ্যয়নৰ বাবে অধিক তথ্যৰ যোগান ধৰিব।*

## ধনী মানুহ আৰু লাজাৰ

অনেকেই ধনী মানুহ আৰু লাজাৰৰ এই দৃষ্টান্তটোক মানুহ মৰাৰ লগে লগে স্বৰ্গ বা নৰকলৈ যায় বুলি প্ৰমান কৰাৰ বাবে ব্যৱহাৰ কৰিবলৈ যত্ন কৰে। এই কাহিনীটো কোৱাত, যীচুৰ তেনেকুৱা অভিপ্ৰায় কেতিয়াও নাছিল। "নৰকৰ" (hell) বাবে যীচুৱে ব্যৱহাৰ কৰা শব্দটো আছিল "হেডজ" (Hades), ই হৈছে গ্ৰীক পৌৰাণিক কল্পিত দেৱতাদি বিষয়ক বিবৰনত পোৱা যাতনা দিয়া এখন ঠাই। এই ধৰ্ম্মবিষয়ক উপদেশ শুনি থকা সকলো যিহুদীয়ে বুজি পাইছিল যে, এটা বিশেষ কথা ব্যাখ্যা কৰিবলৈ যীচুৱে সকলোৱেই জনা এটা জন-প্ৰিয় পৌৰাণিক কথা ব্যৱহাৰ কৰিছে। যদি আমি লূক ১৬:১৯-৩১ পদৰ কথাবোৰলৈ তীক্ষ্ণভাৱে লক্ষ্য কৰো, তেতিক্ষণে আমি দেখিম যে, এই দৃষ্টান্তটো প্ৰতীক চিহ্নেৰে পৰিপূৰ্ণ যিবোৰক আমি আক্ষৰিকভাৱে লোৱাটোক যীচুৱে কেতিয়াও বিচৰা নাছিল।

- উদাহৰন স্বৰূপে, সকলো ত্ৰাণপ্ৰাপ্তই আব্ৰাহামৰ কোচলৈ যায় নে? নাযায়।
- স্বৰ্গত আৰু নৰকত থকা লোকসকলে ইজনে সিজনৰ লগত কথা-বতৰা পাতিব নে? নেপাতে।
- নৰকত জ্বলি থকা এজন ব্যক্তিৰ জিভাখনক এটোপাল পানীয়ে ঠান্ডা কৰিব নে? নকৰে।
- কোনে পৰিত্ৰাণ পাব আৰু কোনে হেৰাই যাব তাক আব্ৰাহামে ঠিৰাং কৰে নে? নকৰে।

ঠিক সেইদৰে, পৃথিবীৰ শেষত হবলগীয়া শেষ-বিচাৰৰ আগে আগে যি সকল লোক মৰে, তেওঁলোকে মৰাৰ লগে লগে স্বৰ্গলৈ নাইবা নৰকলৈ যায় বুলি এই দৃষ্টান্তটোক ব্যৱহাৰ কৰিব নোৱাৰি। যোহন ১২:৪৮ পদত এইদৰে ঘোষনা কৰিছে, "মই কোৱা বাক্যেই শেষৰ দিনা তেওঁৰ সোধবিচাৰ কৰিব"।

তেন্তে এই দৃষ্টান্তটোৰ অৰ্থ কি ধনী মানুহজন যিহুদী জাতিটোৰ এটা প্ৰতীক আছিল, ই ধৰ্ম্মশাস্ত্ৰৰ ভান্ডাৰ আছিল, আনহাতে দুৱাৰমুখত থকা সেই ভিক্ষাৰীটো আছিল—পৰজাতি-যি ঈশ্বৰৰ বাক্যৰ ভোকৰ তাড়ণাত অনাহাৰে ছটফটাই আছিল। যীচুৱে দৃষ্টান্তটো সেই বাক্যটোত দৃষ্টিগোচৰ কৰি সামৰনি মাৰিছিল, "মোচি আৰু ভাববাদীসকলৰ বাক্য যদি নুশুনে, তেন্তে মৃতবিলাকৰ মাজৰ পৰা কোনো এজন উঠিলেও, সিহঁতৰ প্ৰত্যয় নহব"। লূক ১৬:৩১। পৰবৰ্ত্তী সময়ত, যীচুৱে সচাসচিকৈ লাজাৰ নামৰ এজন ব্যক্তিক মৃত্যুৰ পৰা তুলিছিল, আৰু প্ৰায়বিলাক যিহুদী লীডাৰেই ইয়াক তেতিয়াও বিশ্বাস কৰা নাছিল (যোহন ১২:৯-১১)।


©2024 Amazing Facts India
All Rights Reserved Printed in India
+91 916 916 4480 | AFTV.in
অধিক উত্থানশীল, জীৱন পৰিৱৰ্তনকাৰী সম্পদৰ বাবে পৰিদৰ্শন কৰক Bookstore.AFTV.in ASSAMESE